অধ্যায় ৪ ঃ বাতৰি

অধ্যায় গাঁথনি

4.1 উদ্দেশ্য

4.2 পৰিচয়

4.3 সংবাদৰ ধাৰণা

4.3.1 সংবাদৰ সংজ্ঞা

4.3.2 বাতৰিৰ প্ৰকাৰ

4.3.3 বাতৰিৰ উৎস

4.4 বাতৰি লিখন

4.4.1 বাতৰিৰ গঠন

4.4.2 ওলোটা পিৰামিড বা শংকু শৈলী

4.4.3 বাতৰিৰ কপি কেনেদৰে লিখিব লাগে

4.5 বাতৰিৰ বস্তুনিষ্ঠতা, নিৰপেক্ষতা আৰু সত্যতা

4.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

4.7 অধিক জানিবলৈ

4.8 অগ্ৰগতিৰ খতিয়ান

4.9 সম্ভাব্য প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি---

- সংবাদৰ সংজ্ঞা আগবঢ়াব পাৰিব
- বাতৰিৰ প্ৰকাৰসমূহ আলোচনা কৰিব পাৰিব
- বাতৰিৰ উৎসসমূহ বৰ্ণনা কৰিব পাৰিব
- এটা সংবাদ কাহিনীৰ গঠন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- বাতৰি লিখন পদ্ধতি ব্যাখ্যা কৰিব পাৰিব
- বাতৰিৰ 'বস্তুনিষ্ঠতা' আৰু 'সত্যতা'ৰ বৰ্ণনা কৰিব পাৰিব।

৪.২ পৰিচয়

বৰ্তমান সময়ত সংবাদ ক্ষেত্ৰত এক বিপ্লৱৰ সৃষ্টি হোৱাটো পৰিলক্ষিত হৈছে। গাঁৱৰ ধাৰণাটো যিমানেই বিকশিত হৈছে, সিমানেই এক বিশ্বজনীন নেটৱৰ্ক প্ৰসাৰিত হৈছে আৰু সংবাদৰ গুৰুত্ব প্ৰতিদিনে বৃদ্ধি পাবলৈ ধৰিছে। নৱ প্ৰযুক্তিৰ উন্মেষণে সমগ্ৰ পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ মাজত সংবাদৰ আদান-প্ৰদান অতি সুচল কৰি তুলিছে। এই সকলোবোৰ সুচলতাৰ ফলস্বৰূপে 24 ঘণ্টীয়া সংবাদ চেনেলৰ লগতে দৈনিক বাতৰি কাকত আৰু বিষয় ভিত্তিক আলোচনীসমূহৰ সংখ্যা উচ্চ হাৰত বৃদ্ধি পাবলৈ ধৰিছে। 2008 বৰ্ষত ৰেডিঅ' মাধ্যমৰ উল্লেখযোগ্য বিকাশ ঘটিছে যদিও চৰকাৰে এই পৰ্যন্ত ব্যক্তিগত ৰেডিঅ' চেনেলসমূহত সংবাদ পৰিবেশনৰ অনুমতি দিয়া নাই। কেৱল অল ইণ্ডিয়া ৰেডিঅ'ৰ কেন্দ্ৰসমূহেহে সংবাদ পৰিবেশন কৰি আছে।

সংবাদৰ বিভিন্ন দিশ তথা বিভিন্ন ধাৰণাৰ বিষয়ে জনাটো এতিয়া অতি গুৰুত্বপূৰ্ণ হৈ উঠিছে। ই আপোনাক এগৰাকী দক্ষ সংবাদসেৱী হ'বলৈ যথেষ্ট সহায় কৰিব। সংবাদসেৱাৰ বিভিন্ন দিশত ব্যুৎপত্তি লাভ কৰিবলৈ সংবাদৰ বিভিন্ন দিশ সম্পৰ্কে জ্ঞাত হোৱাটো প্ৰয়োজনীয়। এই অধ্যায়টি অধ্যয়ন কৰিলে আপুনি সংবাদৰ মূল ধাৰণাসমূহ স্পষ্টভাৱে আয়ত্ত কৰিব পাৰিব বুলি আশা কৰা হৈছে।

৪.৩ সংবাদৰ ধাৰণা

সংবাদ-বাতৰি-খবৰ এই শব্দটোৰ সৈতে আমি আমাৰ জীৱনত অতি ভালদৰে পৰিচিত। মন কৰিবলগীয়া কথা যে বহুৰৰ পাছত বহুৰ ধৰি আমাৰ সৰহভাগৰেই এই ধাৰণাটোৰ সৈতে এনে এটা সম্পৰ্ক গঢ়ি উঠে যে ৰাতিপুৱাতেই আমি বিশ্ব আৰু দেশখনৰ বিভিন্ন বা-বাতৰিৰ কথা জনাটো এটা নিচাৰ দৰে হৈ পৰিছে। ৰাতিপুৱা উঠিয়েই সোনকালে বাতৰি কাকতখন হাতত নপৰিলে আপোনাৰ মনত উচপিচ নালাগে জানো? আৰু সন্ধিয়াৰ ফালেও গোটেই দিনটোৰ ভিতৰত পৃথিবীৰ ক'ত কি ঘটিছে চমুকৈ হ'লেও জনাৰ বাবে টেলিভিশ্যন বা ৰেডিঅ'ৰ বাতৰিটো নাচালে বা নুশুনিলে আপোনাৰ মনটোত শান্তি লাগে জানো? সপ্তাহটোৰ গোটেই কেইদিন 24 ঘণ্টাই চলি থকা সংবাদ চেনেলসমূহৰ প্ৰসাৰতাই আমাক দিনটোৰ যিকোনো সময়তে আমাৰ প্ৰয়োজনীয় বাতৰি চোৱাৰ সুবিধা কৰি দিছে। ইয়াৰোপৰি কেতবোৰ বিশেষ দিনত আমি গোটেই দিনটোত চলি থকা ঘটনাৱলী জানিবৰ বাবে উৎসুক হৈ থাকো।

সংবাদ হ'ল এনে এটা ঘটনা যিটো নতুন আৰু বহু সংখ্যক লোকে ইয়াৰ বিষয়ে জানিব বিচাৰে। এনে নহয় যে, বাতৰি বুলেটিন নাইবা সংবাদপত্ৰত প্ৰচাৰিত বা প্ৰকাশিত প্ৰতিটো বাতৰি প্ৰতিজন পাঠক বা শ্ৰোতা দৰ্শকৰ বাবে সমানে মনোগ্ৰাহী নহ'বও পাৰে।

আপুনি জানি হয়তো আচৰিত হ'ব যে মাধ্যমত প্ৰকাশিত বা প্ৰচাৰিত প্ৰতিটো বাতৰিৰ উপৰিও আৰু আন ভালেমান বা-বাতৰি আছে যিবোৰ ঠাই নাইবা পাঠক শ্ৰোতা-দৰ্শকৰ বাবে থাকিব লগীয়া আবেদনৰ অভাৱত অগ্ৰাহ্য কৰা হয়। গোটেই পৃথিৱীতে সংবাদ পত্ৰ আৰু সংবাদ চেনেলসমূহৰ কাৰ্যালয়লৈ শ শ বা-বাতৰি আহি থাকে আৰু সেইবোৰৰ নিজস্ব নতুনত্ব থাকে। কিন্তু সংবাদ বুলেটিন আৰু বাতৰি কাকতসমূহৰ ঠাই বা সময় সীমিত হোৱা হেতুকে সেই আটাইবোৰ বা-বাতৰি প্ৰকাশ বা প্ৰচাৰ কৰাটো সম্ভৱপৰ নহয়। সেইবাবে, তন্ন তন্নকৈ চাই নিৰ্বাচিত কৰাৰ পাছতহে সেই বা-বাতৰিবোৰৰ মাজৰ পৰা এমুঠিমানহে প্ৰচাৰ বা প্ৰকাশৰ বাবে বাচি লোৱা হয় আৰু এই প্ৰক্ৰিয়াত আন ভালেমান বাতৰি বাদ পৰি যায়। এতিয়া সংবাদ বা বাতৰি কি সেই বিষয়ে বিশেষজ্ঞসকলে আগবঢ়োৱা কেইটামান সংজ্ঞাৰ কথালৈ আহো। সেইবোৰে সংবাদৰ ধাৰণাটোৰ বিষয়ে বুজাতো আপোনাৰ বাবে সহজ কৰি তুলিব।

৪.৩.১ সংবাদৰ সংজ্ঞা

আৰম্ভণিতে এইটো উল্লেখ কৰাটো প্ৰয়োজনীয় যে সংবাদৰ সকলোবোৰ দিশ সামৰি লোৱা বিধৰ সংজ্ঞা এটা দিয়াটো কঠিন কাম কাৰণ বাতৰিৰ সৰহভাগ সংজ্ঞাই সংবাদৰ গুণগত দিশবোৰ সামৰি ল'ব নোৱাৰে। আন এটা কথা হ'ল যে, সময়ৰ লগে লগে এই ধাৰণাটোৰ সম্পৰ্কত মানুহৰ দৃষ্টিভংগীও সলনি হৈছে আৰু আধুনিক সময়ৰ নতুন চিন্তাধাৰাৰ প্ৰতি লক্ষ্য ৰাখি পূৰ্বৰ সংজ্ঞাৰ সংশোধন আৰু সেইবোৰ নতুনকৈ ৰচনা কৰাটো আৱশ্যকীয় হৈ পৰিছে।

এটা কথা আপুনি মনত ৰখা উচিত যে বাতৰিৰ এক মুখ্য উপাদান হৈছে অগতানুগতিকতা। যেতিয়া প্ৰতিটো কথাই নিয়মিত ৰূপত বা গতানুগতিকভাৱে চলি থাকে, তেতিয়া কোনো বাতৰিৰ সৃষ্টি নহয়। কিন্তু যেতিয়াই এক অনিয়মিত ঘটনা সংঘটিত হয়, তেতিয়াই বাতৰিৰ জন্ম হয়। গতিকে "ঘটনা কেনেকৈ সংঘটিত হয়" আৰু ঘটনা কেনেকৈ সংঘটিত হ'ব লাগিছিল-- এই দুয়োৰে মাজৰ পাৰ্থক্যকে সংবাদ-বাতৰি বুলিব পাৰি।

যেতিয়া কোনো অনিয়মিত ঘটনাৰ সৃষ্টি হয়, তেতিয়া প্ৰতিজন ব্যক্তি সেই ঘটনাৰ প্ৰতি আকৃষ্ট হয়।

এইখিনিতে আটায়েৰে মনত উদয় হ'ব পৰা প্ৰশ্নটো হ'ল এয়ে যে, কোনো এখন বিশেষ বাতৰি কাকত পঢ়া নাইবা কোনো এটা বিশেষ টেলিভিশ্যন চেনেল চোৱা সকলোবোৰ লোকৰ বাবে কোনো এটা বিষয় মনোগ্ৰাহী বা নতুন হ'ব বুলি আমি কেনেকৈ নিৰূপণ কৰিম? এইটো সত্য যে কিছুমান লোকৰ বাবে যিটো কথা মনোগ্ৰাহী, কোনো এখন বাতৰি কাকতৰ পাঠকৰ বাবে সেইটো তেনে নহ'বও পাৰে। এইটো নিৰূপণৰ অন্তৰ্নিহিত নীতি হ'ল এয়ে যে সংবাদ পত্ৰ বা টেলিভিশ্যনৰ বুলেটিনৰ বা-বাতৰিসমূহ সেইবোৰ পঢ়া বা চোৱা সম্ভৱপৰ সৰ্বাধিক সংখ্যক লোকৰ বাবে মনোগ্ৰাহী হ'ব লাগিব।

ইয়াৰ উপৰি বাতৰিত থাকিবলগীয়া আন কেইটামান বৈশিষ্ট্য হ'ল ঘটনাৰ তৎকালীনতা আৰু শ্ৰোতা-দৰ্শক-পাঠকক এই ঘটনাৰ বিষয়ে ৰিপৰ্ট দিয়া, প্ৰকাশ বা প্ৰচাৰৰ স্থানৰ লোকৰ সৈতে ইয়াৰ সম্পৰ্ক থাকিব লাগিব। স্থানীয় এলেকাৰ বা-বাতৰিসমূহ সম্ভৱপৰ সকলো প্ৰকাৰে ভালদৰে আৰু সমভাবে প্ৰকাশ বা প্ৰচাৰ কৰিব লাগিব।

এনে হোৱাৰ কাৰণ হ'ল এয়ে যে কোনো এটা ঘটনা যিমানেই ডাঙৰ বা মনোগ্ৰাহী নহওক লাগিলে এইটো সংঘটিত হোৱাৰ একেবাৰে কম সময়ৰ ভিতৰতে ৰিপৰ্ট কৰিব নোৱাৰিলে ইয়াৰ মূল্য হ্ৰাস পাব আৰু যিমানে অধিক পলম হ'ব সিমানেই ইয়াৰ বাতৰি মূল্য হ্ৰাস হৈ থাকিব আৰু শেষত বাহি বাতৰি হৈ পৰিব।

সংবাদ কি সেই বিষয়ে তলৰ উদাহৰণ কেইটাৰ পৰা আপুনি স্পষ্ট ধাৰণা লাভ কৰিব পাৰিব। কোনো এটা দুৰ্ঘটনা, অগ্নিকাণ্ড, প্ৰাকৃতিক দুৰ্যোগ, আমাৰ দেশৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা সংস্থাই নিৰ্মাণ কৰা প্ৰতিৰক্ষাৰ নতুন অস্ত্ৰ, মানুহৰ জীৱনত সুদূৰ প্ৰসাৰী প্ৰভাৱ থকা কোনো এটা উদ্ভাৱন— এই আটাইবোৰ বিষয়কে সংবাদ হিচাপে গণ্য কৰা হয়।

ইয়াৰ পৰা বাতৰিৰ এটা সৰল সংজ্ঞা এনে ধৰণে দিব পাৰি। বাতৰি হ'ল এনে এটা বস্তু বা বিষয় যিটোৱে কোনো এখন সমাজৰ সংখ্যা গৰিষ্ঠ লোকক প্ৰত্যক্ষ বা পৰোক্ষভাবে প্ৰভাৱান্বিত কৰে আৰু লগতে সমাজৰ সৰহ সংখ্যক লোকৰ বাবে তাৎপৰ্যপূৰ্ণ মূল্যৱ হয়।

উপৰোক্ত প্ৰসংগসমূহৰ উপৰি কোনো সংবাদৰ সংবাদ যোগ্যতা নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত আন কেতবোৰ গুৰুত্বপূৰ্ণ কাৰক জড়িত হৈ থাকে। আগতেই উল্লেখ কৰা হৈছে যে সংবাদ যোগ্যতা বিচাৰ কৰাৰ বাবে সময় উপযোগিতা আৰু অনন্যতাক দুই মুখ্য কাৰক ৰূপে গণ্য কৰা হয়। ইয়াৰ ওপৰিও কোনো এক বাতৰি সংস্থা অথবা চেনেলৰ বাবে লক্ষ্য দৰ্শকৰ ৰুচি আৰু অগ্ৰাধিকাৰক গুৰুত্ব প্ৰদান কৰিহে অনুষ্ঠান নিৰ্মাণ কৰে।

আনহাতে কোনো ঘটনাৰ প্ৰভাৱ অথবা ফলাফলেও সেই ঘটনাটোৰ সংবাদ যোগ্যতা বিচাৰৰ মাপকাঠি হ'ব পাৰে। এই ক্ষেত্ৰত ওচৰ-চুবুৰীয়া অঞ্চলৰ সংবাদে কিছু অগ্ৰাধিকাৰ লাভ কৰা দেখা যায়। উদাহৰণ স্বৰূপে, গুৱাহাটীৰ কোনো ঘটনা লক্ষ্ণৌৰ কোনো এখন বাতৰি কাকতৰ বাবে গুৰুত্বপূৰ্ণ নহ'বও পাৰে।

ইয়াৰোপৰি সংবাদ যোগ্যতা নিৰূপণ কৰা আন এক দিশ হৈছে কোনো ঘটনাত জড়িত হৈ থকা ব্যক্তিসকল। অধিক গুৰুত্বপূৰ্ণ ব্যক্তিয়ে ঘটনাৰ গুৰুত্ব বৃদ্ধি কৰে। আকৌ কোনো ঘটনাৰ প্ৰসংগও অতি গুৰুত্বপূৰ্ণ। কি কথা কেনে প্ৰসংগত কোৱা হৈছে, তাৰ ওপৰত সংবাদৰ যোগ্যতা যথেষ্ট নিৰ্ভৰ কৰে। উদাহৰণ স্বৰূপে, প্ৰধান মন্ত্ৰীয়ে কোনো এক বিশেষ প্ৰসংগত দিয়া বিবৃতি এক অতি গুৰুত্বপূৰ্ণ বাতৰি হ'ব পাৰে, কিন্তু অন্য এক প্ৰসঙ্গত সেই একেটা বিবৃতিৰ গুৰুত্ব নাথাকিবও পাৰে।

এনে বহুতো ঘটনা থাকে যিবোৰত এক বিশেষ শ্ৰেণীৰ দৰ্শকৰ উপযোগী তথ্য থাকে। যেনে, সাংবাদিকতা বিষয়ৰ কোনো জলপানি সম্পৰ্কীয় সংবাদ কেৱল সাংবাদিকতাৰ ছাত্ৰ-ছাত্ৰীৰ বাবেহে উপযোগী।

শেষত, প্ৰতিটো সংবাদ সংস্থা কেতবোৰ সংবাদ নীতি অনুযায়ী পৰিচালিত হয়। বাতৰি কাকতৰ সম্পাদক আৰু স্বত্বাধিকাৰীসকলে বিভিন্ন ঘটনাৰ সংবাদ যোগ্যতা নিৰ্ধাৰণ কৰিবলৈ কেতবোৰ নীতি গ্ৰহণ কৰে আৰু সেই অনুসৰি সংবাদৰ গুৰুত্ব নিশ্চিত কৰে। সংবাদ নীতিসমূহ সমাজ, দেশ আৰু সংবাদ সংস্থা অনুযায়ী ভিন্ন হয়।



অগ্ৰগতি নিৰীক্ষণ ক

1 আপোনাৰ নিজৰ ভাষাত বাতৰিৰ সংজ্ঞা আগবঢ়াওক।

.....

.....

.....

2 তলৰ বাতৰি কেইটাৰ কোনটো অসমৰ সংবাদ মাধ্যমৰ বাবে প্ৰাসঙ্গিক হ'ব। "হয় বা নহয়" চিহ্ন দিয়ক।

i) ভুটানত ভাৰতৰ প্ৰধান মন্ত্ৰীৰ ভ্ৰমণ (হয়/নহয়)

ii) ভাৰতৰ বাকী অংশৰ সৈতে উত্তৰ পূৰ্বাঞ্চলৰ বিদ্ৰোহাত্মক কাৰ্যকলাপৰ যোগসূত্ৰ (হয়/নহয়)

iii) আই-পি-এল-টি-20 লীগ মেচ (হয়/নহয়)

iv) হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰশ্ন কাকত ফাদিল (হয়/নহয়)

v) উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ অস্বাভাৰিকভাবে উত্তীৰ্ণৰ হাৰ (হয়/নহয়)

vi) গুৱাহাটী আৰু ডিব্ৰুগড়ত উৰণীয়া সেতুৰ উদ্বোধন(হয়/নহয়)

vii) চীন আৰু ম্যানমাৰত প্ৰবল ভুমিকম্প (হয়/নহয়)

viii) কটন কলেজ ছাত্ৰ সন্থাৰ নিৰ্বাচন (হয়/নহয়)

৪.৩.২ বাতৰিৰ প্ৰকাৰ

সাধাৰণভাৱে বাতৰিসমূহক দুটা শ্ৰেণীত বিভক্ত কৰা হৈছে। গুৰু বাতৰি (Hard News) আৰু লঘু বাতৰি (Soft News)

১. গুৰু বাতৰি (Hard News) হৈছে এনে এটা বাতৰি যিয়ে কোনো এটা ঘটনা যিদৰে সংঘটিত হয় সেই সম্পৰ্কীয় তথ্য সুস্পষ্ট, সৰলভাবে সঠিক ৰূপত দাঙি ধৰে । সাধাৰণতে এনে বাতৰিয়ে

পাচটা ডবলিউ (SWs) আৰু এইচ (H) এই মুল প্রশ্নকেইটাৰ উত্তৰ দিয়ে।

কোনে (Who) আৰু

কি (What) আৰু

কেতিয়া (When) আৰু

ক'ত (Where) আৰু

কিয় (Why) আৰু

কেনেকৈ (How)

সাধাৰণতে 'হার্ড' বাতৰি লিখোতে এটা মানবিশিষ্ট কৌশল অনুসৰণ কৰা হয়। ছপা মাধ্যমৰ ক্ষেত্রত ওলোটা পিৰামিডৰ লিখন শৈলীটো অনুসৰণ কৰা হয়। অর্থাৎ আটাইতকৈ দৰকাৰী বা গুৰুত্বপূর্ণ তথ্যখিনি বাতৰিটোৰ আৰম্ভণিতে দিয়া হয় আৰু কম দৰকাৰী তথ্যবোৰ পিছলৈ দিয়া হয়। সম্প্রচাৰণ মাধ্যমত বেছি দৰকাৰী নোহোৱা তথ্যবোৰ বাদ দিয়া হয়। সাধাৰণতে গুৰুত্বপূর্ণ ৰাজহুৱা ঘটনা, চৰকাৰৰ কাম-কাজ, আন্তঃৰাষ্ট্রীয় ঘটনা, অর্থনৈতিক আৰু সামাজিক পৰিক্রমা, অপৰাধ, বিজ্ঞান আৰু প্রযুক্তি বিদ্যা, পৰিবেশ, ইত্যাদি সম্পর্কীয় বাতৰি লিখোতে হার্ড বাতৰি লিখা শৈলীটো ব্যৱহাৰ কৰা হয়।

উদাহৰণস্বৰূপে, গুৱাহাটীৰ কোনো এটা অংশত হোৱা ভয়াবহ অগ্নিকাণ্ডত বাসিন্দাসকলৰ সা-সম্পত্তিৰ প্রচুৰ ক্ষতিসাধন হোৱা আৰু মানুহৰ প্রাণহানি হোৱা বাতৰিটো মানুহক যিমান শীঘ্রে সম্ভৱ সিমান শীঘ্রে দিয়া প্রয়োজন। এই বাতৰিটো লিখোতে পাঁচটা ডব্লিউ আৰু এইচেৰে আৰম্ভ হোৱা বাতৰিটোক মুল প্রশ্ন-- যেনে, কোনে, কি, কেতিয়া, ক'ত, কিয় আৰু কেনেকৈ উত্তৰ দিব লাগিব।

একেদৰে, বোমা বিস্ফোৰণৰ দৰে ঘটনা ঘটিলে, তাৰ খবৰ হার্ড বাতৰিৰ আকাৰত তৎক্ষণাত প্রকাশ কৰা উচিত। তেনে কৰোতে পোনপটীয়া তথ্য যেনে বিস্ফোৰণটো ক'ত হৈছে, নিহত-আহতৰ সংখ্যা, পৰিস্থিতি নিয়ন্ত্রণৰ বাবে গ্রহণ কৰা ব্যৱস্থা, ইত্যাদি থাকিব লাগিব।

আজিৰ সাংবাদিকতাৰ ভাষাত হার্ড বাতৰিক স্পট্ নিউজ বা ব্রে'কিং নিউজ (Breaking News) বুলিও কোৱা হয়। কাৰণ সংবাদ সংস্থাসমূহে এনে বাতৰি ঘটাৰ লগে লগে অকণো পলম নকৰাকৈ সম্প্রচাৰ কৰে।

নিবন্ধ (Features) : বাতৰি মূল্য থকা লেখা, কিন্তু হার্ড বাতৰি নহয়। ই বাতৰিক এটা নতুন মাত্রা প্রদান কৰে, মতামত আৰু মন্তব্যসহ। বাতৰিটো চালি-জাৰি চায় আৰু ইয়াক বিশ্লেষণ কৰে।

২. লঘু বা ছফট্ বাতৰি (Soft News)

প্রবন্ধ (articles) নিবন্ধ (features) সম্পাদকীয় আদি বিভিন্ন প্রকাৰৰ লেখা ছফট্ বাতৰিৰ শ্রেণীত পৰে। পোনপটীয়া তথ্যৰ উপৰি, প্রতিক্রিয়া আৰু মতামত আদিও ছফট শ্রেণীৰ বাতৰিত অন্তর্ভুক্ত কৰা হয়।

মানৰীয় আবেদনৰ দৃষ্টিকোণ সমৃদ্ধ বাতৰিসমূহ ক সঠিকতে ছফট্ বাতৰি বুলি অভিহিত কৰিব পাৰি। ছফট্ বাতৰিবোৰ প্রায়েই হার্ড বাতৰিবোৰৰ পৰাই উদ্ভৱ হয়। সাধাৰণতে গুৰুত্বপূর্ণ ঘটনাৰ অনুৱর্ত্তী বাতৰি (follow up story) হার্ড বাতৰি পৰিবেশনৰ সময়ত তল পৰি থোৱা

দিশ আৰু ঘাইকৈ মানবীয় আবেদন বিশিষ্ট বাতৰিবোৰেই হ'ল এনে ছফট্ বাতৰি।

চফট্ বাতৰিবোৰৰ উদ্দেশ্য হ'ল মনোগ্রাহী ধৰণে সেইবোৰ উপস্থাপন কৰি পঢ়ুৱৈ বা দর্শকৰ মাজত কৌতুহল আৰু তেওঁলোকৰ মনত আবেগৰ সৃষ্টি কৰা। সেইবাবে ছফট্ বাতৰিৰ ক্ষেত্রত বাতৰি লিখাৰ গতানুগতিক ধৰণটো প্রযোজ্য নহয়। এনে বাতৰি লিখোতে লিখোতাৰ নিজৰ সৃজনী ক্ষমতাৰ প্রয়োগ কৰাৰ সুযোগ থাকে আৰু তাৰ দ্বাৰা বিষয়বস্তুটোক এনে ধৰণে উপস্থাপন কৰে যিটোৱে বহুতো পাঠকক আকর্ষণ কৰাৰ লগতে তেওঁলোকৰ মনত গভীৰ সাঁচ পেলায়।

এটা সংবাদ কাহিনীত অন্তর্ভুক্ত প্রতিটো তথ্যই কোনো উৎসৰ ওপৰত আধাৰিত হয় আৰু কোনো কোনো ক্ষেত্রত প্রত্যক্ষদর্শী সাংবাদিক গৰাকীও ঘটনাৰ উৎস হ'ব পাৰে। অৱশ্যে সংবাদত যিকোনো ক্ষেত্রতে প্রতিটো তথ্য বিশ্বাসযোগ্য উৎসৰ পৰা সংগ্রহ কৰাটো অতি প্রয়োজনীয়। এইখিনিতে attribution অথবা ভূমিকা আহি পৰে। attribution ৰ অর্থ হৈছে কোনো এটা কথা কোনে কৈছে তাক জনোৱা। ৰেডিঅ' আৰু টেলিভিশ্যনকে ধৰি প্রতিটো সংবাদ মাধ্যমৰ বাবে অতি গুৰুত্বপূর্ণ। সাংবাদিকসকলে ৰাইজৰ জ্ঞাতার্থে কোনে কি কথা কৈছে অথবা ক'ৰ পৰা তথ্য আহৰণ কৰা হৈছে, সেয়া বিশদভাবে প্রকাশ কৰে। বিভিন্ন সাক্ষাৎকাৰ, ভাষণ, প্রতিবেদন, কিতাপ, চিনেমা অথবা বাতৰি কাকত, ৰেডিঅ', টেলিভিশ্যন, ইত্যাদিৰ পৰা আহৰিত তথ্যসমূহ জনাবলৈ মৌখিক আৰু লিখিত দুয়ো ক্ষেত্রতে---- ব্যৱহাৰ কৰিব পাৰি।

কি কাৰণত কোনো এটা সংবাদ প্রতিষ্ঠানক সংবাদৰ গুণাগুণ আৰু নতুনত্বৰ বাবে আনতকৈ শ্রেষ্ঠ বোলা হয়? প্রতিষ্ঠানটিৰ সাংবাদিক আৰু সংবাদ প্রেৰকসকলৰ শ্রেষ্ঠত্বৰ ওপৰতহে এই শ্রেষ্ঠৰ প্রকৃততে আধাৰিত। এজন সাংবাদিকৰ বিশ্বাসযোগ্য আৰু উচ্চ স্তৰৰ উৎস থাকিলেহে তেওঁ বিশাল পৰিসৰত সংবাদ সংগ্রহ কৰিব পাৰে। কিছুমান উমৈহতীয়া সংবাদ উৎস থাকে, যেনে--- সংবাদ মেল, ৰাজহুৱা সভা, ৰেডিঅ' আৰু টেলিভিশ্যন চেনেল, বাতৰি কাকত, আলোচনী, চেমিনাৰ আৰু অন্যান্য তেনে সভা।

সংবাদ সংগ্রহ অথবা পৰিবেশনৰ ক্ষেত্রতো সাংবাদিক অনুযায়ী ভিন্নতা থাকিব পাৰে। একেটা সংবাদৰ ক্ষেত্রতে দুজন সাংবাদিকে বিভিন্ন দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিব পাৰে। অৱশ্যে বিশ্বাসযোগ্য উৎসসমূহৰ পৰাহে বিশেষ সংবাদসমূহ সংগ্রহ কৰাটো দৰকাৰ। তেনে উৎসসমূহে এগৰাকী সাংবাদিক আৰু এটা সংবাদ প্রতিষ্ঠানক পৃথক স্তৰত ৰাখে।

কোনো এটা ঘটনা প্রত্যক্ষ নকৰাকৈ এগৰাকী সাংবাদিকে কেনেদৰে এটা সংবাদ পৰিবেশন কৰে, সেই বিষয়ে এতিয়া আমি আলোচনা কৰিম। আমি জানো যে বিশ্বৰ বিভিন্ন প্রান্তত প্রতিটো মুহূর্ততে কোনোবা নহয় কোনোবা ক্ষেত্রত সংবাদ উপযোগী ঘটনা সংঘটিত হৈ থাকে।

এগৰাকী সাংবাদিকে তেনে ঘটনাৰ বিশদ তথ্য সংগ্রহ কৰি বিভিন্ন দর্শকৰ সন্মুখত পৰিবেশন কৰিবলগীয়া হয়। কিন্তু তেওঁ যদি ঘটনাস্থলীত উপস্থিত নাথাকে তেন্তে অন্যান্য উৎসৰ ওপৰত ভৰসা কৰিব লগাত পৰে। অর্থাৎ কোনোৱে যেতিয়া সাংবাদিকক ঘটনা এটাৰ সবিশেষ জনায়

সম্পাদকীয় (Features) : বাতৰিৰ লগতে সাময়িক বাতৰি সম্পর্কে প্রতিদিনে প্রকাশ কৰা সংবাদপত্রৰ মতামত আৰু মন্তব্যৰ শিতান।

সম্পাদকীয় পৃষ্ঠা (Editorial Page) : প্রবন্ধ আৰু নিবন্ধৰ লগতে সম্পাদকীয় স্তম্ভ থকা পৃষ্ঠা। ইয়াক এডিট পেজ নিবন্ধ (Edit Page) বুলিও কোৱা হয়।

অনুবর্তী বাতৰি নিবন্ধ (Follow up story) : কোনো এটা বাতৰি প্রকট নিবন্ধ (Features) বা break হোৱাৰপাছত তাৰ পৰৱর্তী ঘটনাৰ বাতৰিৰ অনুসৰণ কৰা।

তেনে ব্যক্তি অথবা প্রতিষ্ঠানক সংবাদৰ উৎস বোলা হয়।

কোনো ঘটনা অথবা issues ৰ বিষয়ে সংবাদ পৰিবেশন কৰিবলৈ উৎসসমূহ অতি গুৰুত্বপূর্ণ। সাংবাদিকসকলে যিমান দূৰ সম্ভৱ নিজৰ observation দ্বাৰা তথ্য আহৰণ কৰিবলৈ যত্ন কৰে, কিন্তু বহু ক্ষেত্রত সেয়া সম্ভৱ হৈ নুঠে। বহুতো ঘটনা সাংবাদিক উপস্থিত হোৱাৰ পূর্বেই শেষ হৈ যায়। যিসকল সাংবাদিকে কেৱল নিজে প্রত্যক্ষ কৰা ঘটনাৰ আধাৰত প্রতিবেদন প্রস্তুত কৰে, তেওঁ প্রত্যক্ষদর্শীৰ পৰা সম্পূর্ণ ঘটনাৰ সবিশেষ নোলোৱাৰ বাবে বহু তথ্য অজ্ঞাত হৈ থাকে।

সাংবাদিকসকলে সত্যৰ ওপৰত নির্ভৰ কৰে আৰু সেয়েহে তেওঁলোকে ব্যৱহাৰ কৰা উৎসসমূহ বিশ্বাসযোগ্য তথা সৎ হোৱাটো অতি প্রয়োজনীয়। কিন্তু সংবাদৰ সংখ্যাৰ দৰে উৎসৰ সংখ্যাও যথেষ্ট বেছি। তাৰে ভিতৰত কিছুমানে যথেষ্ট সত্য তথ্য যোগান ধৰিব পাৰে আৰু সেইসমূহক আমি বিশ্বাসযোগ্য বা নির্ভৰযোগ্য উৎস বুলি কওঁ। অন্যান্যসমূহৰ ভিতৰত কেতবোৰ নির্ভৰযোগ্যতা যথেষ্ট কম কিন্তু তথাপিও ব্যৱহাৰযোগ্য আৰু অন্যান্যসমূহ ব্যৱহাৰযোগ্য নহয়।

আপুনি সকলো সময়তে সত্য ঘটনা দেখুৱাবলৈ প্রয়াস কৰা উচিত আৰু তেনে কৰিব নোৱাৰিলে, এনেদৰে বিশ্বাস কৰা হয় যে.... অথবা এনেধৰণে দেখা যায় যে..... ইত্যাদি প্রকাৰৰ বাক্য ব্যৱহাৰ কৰিব পাৰে। আপুনি কোৱা কথাষাৰ দর্শক-শ্রোতা-পঢ়ুৱৈয়ে প্রমাণিত তথ্য বুলি ভবাতকৈ আপুনি তেনেদৰে বাক্য গাঁথনি কৰাটো যুগুত।

সাধাৰণতে কোনো ঘটনা অথবা বিষয়াৰ কেন্দ্রস্থিত উৎসক (ব্যক্তিক) মৌলিক উৎস (Primary source) বোলা হয়।

লিখিত উৎসসমূহক সাধাৰণতে ৰাইজে গ্রহণ কৰে। কিন্তু ইয়াৰ অর্থ এয়া নহয় যে কোনো তথ্য লিখিত বা মুদ্রিত অৱস্থাত থাকিলেই তাক বিশ্বাসযোগ্য বুলিব পাৰি। টাইপ ৰাইটাৰ, কম্পিউটাৰ আৰু আধুনিক প্রযুক্তিৰ সহায়ত এতিয়া মুদ্রণ কার্য অতি সহজ হৈ পৰিছে। কোনে সেই মুদ্রিত কাগজ প্রস্তুত কৰিছে, সেয়া চোৱাটো দৰকাৰ। সেই উৎসৰ নির্ভৰযোগ্যতা বিচাৰযোগ্য।

ইন্টাৰনেটত উপলব্ধ তথ্যৰ ক্ষেত্রত এই দিশটো বিশেষভাবে প্রযোজ্য। যিকোনো ব্যক্তিয়ে ইণ্টাৰনেটত যিকোনো তথ্য সংযোগ কৰিব পাৰে। সেয়েহে ব্যৱহাৰ কৰাৰ পূর্বে সেই তথ্যৰ সত্যতা উদ্ধাৰ ক ৰিব লাগে।

আনুষংগিক উৎস (Secondary source) হৈছে এনেবোৰ ব্যক্তি যিসকল ব্যক্তিয়ে সংবাদ প্রস্তুত কৰাৰ পৰিৱর্তে প্রেৰণহে কৰে। আৰক্ষীয়ে প্রস্তুত কৰা কোনো ঘটনাৰ প্রতিবেদন অথবা কোনো জসম্পর্কৰক্ষী বিষয়াই দিয়া বিবৃত্তি হৈছে এনে আনুষংগিক উৎস। মৌলিক উৎসৰ তুলনাত এই উৎসসমূহ নির্ভৰযোগ্য নহয়।

সাংবাদিকসকলে প্রত্যক্ষদর্শীসকলক আনুষংগিক উৎস ৰূপে ব্যৱহাৰ কৰা উচিত, কিয়নো তেওঁলোকে অতি সুক্ষ্মভাৱে বর্ণনা কৰিব পাৰে।

আপুনি কোনো আনুষংগিক উৎসৰ নির্ভৰযোগ্যতা বিচাৰ কৰাটো দৰকাৰ আৰু প্রয়োজনত আপোনাৰ পঢ়ুৱৈ, দর্শক অথবা শ্রোতাক সেই উৎস সম্পর্কে জ্ঞাত কৰিব লাগিব।

আনুষংগিক উৎস তিনিটা স্তৰত বিভক্ত কৰিব পাৰি ঃ

(ক) সঞ্চিত যাৰ তথ্য আৰু উৎস দুয়োকে ব্যৱহাৰ কৰিব পাৰি;

(খ) non-attributed তথ্য ব্যৱহাৰ কৰিব পাৰি কিন্তু উৎসৰ নাম ব্যৱহাৰ কৰিব নোৱাৰি; আৰু

(গ) অসঞ্চিত তথ্য আৰু উৎস কোনো এটাকে ব্যৱহাৰ কৰিব নোৱাৰি.

বাতৰিৰ উৎস মানে হ'ল মনত লগা ধৰণৰ কোনো এটা বাতৰি উৎপন্ন হোৱাৰ সম্ভাৱনা থকা ঠাই বা লোক। সাধাৰণভাবে শ্রেণী বিভাজন কৰিলে বাতৰিৰ উৎস দুই প্রকাৰৰ বুলি ক'ব পাৰি।

১। ব্যক্তিক উৎস হ'ল সেইবোৰ লোক বা ব্যক্তি যিসকলৰ সৈতে ৰিপোর্টাৰ অথবা সাংবাদিক এজনে নিকট ব্যক্তিগত সম্পর্ক গঢ়ি তোলে আৰু কোনো এটা ঘটনা ঘটিলে বা ঘটাৰ উপক্রম হ'লে সেই লোকজনৰ পৰা গুৰুত্বপূর্ণ বা-বাতৰি আদি লাভ কৰিব পাৰে।

২। চৰকাৰী বা অব্যক্তিক উৎস হ'ল সেইবোৰ উৎস যিবোৰৰ পৰা সংবাদ সংস্থাটোৱে যেনে তেনে হ'লেও কোনো এটা বাতৰি পোৱাটো আশা কৰিব পাৰে। উদাহৰণ স্বৰূপে, চৰকাৰী প্রেছ বিজ্ঞপ্তি, (Press note) বিবৃত্তি, সংবাদ মেল, ৰাজহুৱা সভা, ইত্যাদি। এইবোৰ হ'ল সাধাৰণ শ্রেণীৰ উৎস আৰু যিকোনো সাংবাদিকে বিশেষ কষ্ট নকৰাকে তেওঁ বিচৰা বাতৰিটো লাভ কৰিব পাৰে। এনেবোৰ বাতৰি সংশ্লিষ্ট ব্যক্তি বা অনুষ্ঠানে নিজেই সংবাদপত্রসমূহলৈ প্রেৰণ কৰে।

অৱশ্যে আপুনি এইটো মনত ৰাখিব লাগিব যে প্রকাশ কৰা তথ্য বিতর্কিত নহয় যেন লাগিলে, আনুষ্ঠানিক বা চৰকাৰী উৎসই সাধাৰণতে যিকোনো ইতিবাচক ঘটনাৰ প্রকাশযোগ্য বাতৰি দিয়াত সাংবাদিকৰ সৈতে সহযোগিতা কৰে। কিন্তু যেতিয়াই কোনো সমস্যাৰ উদ্ভৱ হয় আৰু সংস্থাটোৰ নেতিবাচক ছবি এখন দাঙি ধৰাৰ সম্ভাৱনা দেখিবলৈ পায় তেতিয়া এনে উৎসসমূহে সেই বিষয়ে তথ্যৰ যোগান ধৰাত দ্বিধাবোধ কৰে, কাৰণ ইয়াৰ ফলত অনুষ্ঠান বা সংস্থাটোৰ ইতিবাচক ভাবমূর্তি ম্লান হোৱাৰ সম্ভাৱনা থাকে। এনে সময়তে সাধাৰণতে সাংবাদিকৰ জীৱিকা বৃত্তিৰ দক্ষতা পৰীক্ষাৰ সন্মুখীন হয়। ইয়াৰ অর্থ হ'ল এয়ে যে যেতিয়া আনুষ্ঠানিক বা চৰকাৰী সূত্রই আপোনাৰ সৈতে সহযোগ কৰিবলৈ অমান্তি হয়, তেনে অৱস্থাত আপুনি এই চৰকাৰী সূত্রৰ সৈতে ইতিমধ্যে এনে এটা সম্পর্ক গঢ়ি তুলিব পাৰিব লাগিব যাতে সূত্রটোৱে প্রকাশ কৰা তথ্য অনুষ্ঠানটোৰ পক্ষে নেতিবাচক হ'লেও তেনে তথ্য আপোনাক দিয়াত তেওঁ দ্বিধাবোধ নকৰে।

কিন্তু যেতিয়া কোনো এটা প্রতিষ্ঠানত কোনোবাখিনিত ভুল অথবা ঋণাত্মক কার্য হয় তেতিয়া এই উৎসসমূহে তথ্য দিবলৈ অপ্রস্তুত হয়। এজন সাংবাদিকৰ বৃত্তিগত কৃতিত্ব এনে পৰিস্থিতিতে পৰীক্ষা কৰা হয়। কিয়নো যেতিয়া চৰকাৰী অথবা আনুষ্ঠানিক উৎসসমূহে তথ্য দিব নিবিচাৰে তেতিয়া এগৰাকী সাংবাদিকে ইতিমধ্যে ভাল সম্পর্ক গঢ়ি তোলা অন্যান্য

উৎসসমূহে কোনে ঋণাত্মক তথ্য সহজতে যোগান ধৰে।

আনহাতে তলত উল্লিখিত দিশসমূহৰ ওপৰত ভিত্তি কৰিও উৎসসমূহ বিভক্ত কৰা হয়, যেনে-- (ক) সমস্যাটেৰ দ্বাৰা কোন প্রত্যক্ষভাৱে প্রভাৱিত? (খ) সমস্যাটোত কোন প্রত্যক্ষভাৱে জড়িত? (গ) কোনে প্রত্যক্ষভাৱে সমস্যাটো সমাধান কৰিবলৈ প্রয়াস কৰিছে? (ঘ) কোন পৰোক্ষভাৱে প্রভাৱিক আৰু কোন সমস্যাটোক লৈ সচেতন? (ঙ) কোনে ৰাইজৰ হৈ সমস্যাটো নিৰীক্ষণ কৰিছে?

প্রথমতে, যিকোনো সাংবাদিকে যিকোনো ক্ষেত্রৰে চৰকাৰী উৎসৰ সৈতে চিনা-পৰিচয় হৈ ল'ব লাগিব আৰু তাৰ পাছত তেওঁৰ সৈতে এনে এটা ব্যক্তিগত সম্পর্ক আৰু ঘনিষ্ঠতা গঢ়ি তুলিব লাগিব যাতে সাংবাদিকজনে উপযুক্তভাৱে তথ্যটো পৰিবেশন কৰাৰ দক্ষতা থকা বুলি আৰু লগতে ইয়াৰ ফলত বিষয়াজনৰ চৰকাৰী পদমর্যাদাৰ কোনো হানি নহয় বুলি উৎসটোৰ মনত আস্থা থাকে।



অগ্রগতি নিৰীক্ষণ ন

১। (Attribution) ৰ অর্থ কি? ইয়াৰ তিনিটা স্তৰ কি কি?

.....

.....

.....

২। বাতৰিৰ উৎস মানে কি? বাতৰিৰ মৌলিক আৰু আনুষংগিক উৎসৰ বিষয়ে বর্ণনা কৰক।

.....

.....

.....

৩। বাতৰিৰ উৎসসমূহৰ পোষণ বুলিলে কি বুজে? সৃষ্টি কৰাটো কিয় প্রয়োজনীয়?

.....

.....

.....

.....

.....

.....



অনুশীলনী ক

1। কোনো এটা বা দুটা টেলিভিশ্যন চেনেলৰ বাতৰি বুলেটিন 10ûþ20 দিনৰ বাবে নিয়মীয়াকৈ চাওক। সেইবোৰত দিয়া বাতৰিসমূহৰ এখন তালিকা প্ৰস্তুত কৰক। সেইবোৰ কিমানটা বাতৰি সৰহ সংখ্যক লোকৰ বাবে আৰু কিমানটা কম সংখ্যক লোকৰ বাবে মনোগ্ৰাহী হ'ব বুলি আপুনি ভাবে?

2। আকৌ একেটা অনুশীলনীৰেই কিমানটা বাতৰি স্থানীয়ভাৱে গুৰুত্বপূৰ্ণ প্ৰশ্ন সম্পৰ্কীয় আৰু কিমানটা প্ৰশ্নৰ আমাৰ সৈতে কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই সেইটো বিচাৰি উলিয়াওক।

3। এখন ইংৰাজী ভাষাৰ আৰু এখন আঞ্চলিক ভাষাৰ দুখন বাতৰি কাকত নিয়মীয়াকৈ পঢ়ক আৰু 20 দিনৰ সেই কাকত দুখনৰ মুখ্য বাতৰিকেইটাৰ তুলনা কৰক। দুয়োখন বাতৰি কাকতৰে মুখ্য বাতৰিকেইটা একে নে বেলেগ বেলেগ? আপুনি কি দেখিবলৈ পালে টোকা কৰি থওক।

4। আজিৰ বাতৰি কাকতখন পঢ়ি ঃ পাঁচটা গুৰু সংবাদ চিনাক্ত কৰক (খ) পাঁচটা লঘু সংবাদ চিনাক্ত কৰক।

৪.৪ বাতৰি লিখন

বাতৰি লিখন হৈছে এনে এটা কলা, যাক প্ৰতি গৰাকী সংবাদসেৱীয়ে আয়ত্ত কৰি চৰ্চা কৰা উচিত। বাতৰি লিখন কেতবোৰ নিৰ্দিষ্ট শৈলীৰ ওপৰত আধাৰিত। প্ৰতিটো বাতৰি প্ৰতিষ্ঠানে নিজা শৈলী থকা সত্বেও এই নিৰ্দিষ্ট মানসমূহ বাতৰি লিখনৰ ক্ষেত্ৰত মানি চলে। এই শৈলী আয়ত্ত কৰাৰ প্ৰথমটো পদক্ষেপেই হৈছে বাতৰিৰ গঠন সম্পৰ্কে জানি লোৱাটো।

৪.৪.১ বাতৰিৰ গঠন

মূলত ঃ এটা বাতৰি প্ৰতিবেদনত এইসমূহ অংশ থাকে ঃ

সংবাদ শীৰ্ষ

(ক্ৰেডিট লাইন-বাই লাইন)

ডেট লাইন

লীড-ইণ্ট্ৰ'

মূল অংশ

সামৰণি

সামৰণি কেৱল লঘু বাতৰিৰ ক্ষেত্ৰতহে থাকে। গুৰু বাতৰিত সামৰণি পৰ্যায় নাথাকে।

তলত দিয়া প্ৰতিবেদন দুটালৈ মন কৰক। আপোনাৰ সুবিধাৰ্থে বিভিন্ন অংশসমূহ চিনাক্ত কৰা হৈছে।

ইয়াত দুটা বাতৰি প্ৰতিবেদন থাকিব

এতিয়া আমি প্ৰতিটো পৰ্যায়ৰ বিষয়ে পৃথকে পৃথকে আলোচনা কৰিম

সংবাদ শীৰ্ষ ঃ আপুনি হয়তো সংবাদ শীৰ্ষ বোলা শব্দটোৰ সৈতে পৰিচিত। এই অংশটোৱে এজন পঢ়ুৱৈক প্ৰথমতে আকৰ্ষণ কৰে। প্ৰতিবেদন দুটাত দেখাৰ দৰে সংবাদ শীৰ্ষ হৈছে সংবাদটোৰ পৰিচয় বাক্য আৰু আটাইতকৈ আকৰ্ষণীয় অংশ। মূল বাতৰিটোতকৈ শীৰ্ষৰ বাক্যটো অলপ ডাঙৰ হৰফত লিখা হয়। ই পঢ়ুৱৈৰ ৰুচি চিনাক্ত কৰে আৰু বাতৰিটোৰ পৰিচয় তথা মূলভাৰ দাঙি ধৰে। সংবাদ শীৰ্ষটো পঢ়াৰ পাছতহে বাতৰিটো পঢ়া-নপঢ়াৰ বিষয়ে পঢ়ুৱৈয়ে থিৰাং কৰে। কেতিয়াবা সংবাদ শীৰ্ষই আকৰ্ষণীয় ভাষা ব্যৱহাৰ কৰি পঢ়ুৱৈৰ মনোযোগ আকৰ্ষণ কৰে। বাতৰিটোৰ প্ৰকৃতি আৰু গুৰুত্বৰ ওপৰত নিৰ্ভৰ কৰি সংবাদ শীৰ্ষ বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। এই সম্পৰ্কে আমি পৰৱৰ্তী অধ্যায়সমূহত আলোচনা কৰিম।

ক্ৰেডিট লাইন/বাই লাইন ঃ আপুনি দেখিছে যে সংবাদ শীৰ্ষৰ ঠিক তলতে বাওঁফালে প্ৰথমটো বাতৰিত লিখা আছে ..... আৰু দ্বিতীয়টো বাতৰিত লিখা আছে .....। এই বাক্যটোক ..... বোলা হয় আৰু ই বাতৰিটোৰ উৎস চিনাক্ত কৰে। প্ৰথমটো বাতৰি, য'ত ব্যক্তিগৰাকীৰ নাম লিখা আছে। তাক ..... (byline) বোলা হয়। দ্বিতীয়টো বাতৰি, য'ত কাৰো নামৰ উল্লেখ নাই, তাক ..... (credit line) বোলা হয়। প্ৰয়োজন অনুযায়ী এই বাক্য 'আমাৰ সংবাদদাতাৰ পৰা', 'আমাৰ বিশেষ সংবাদদাতাৰ পৰা' ইত্যাদি ধৰণৰ হ'ব পাৰে।

ডেট লাইন (Dateline) ঃ ক্ৰেডিট লাইন ঐবাই লাইনৰ তলত আৰু মূল বাতৰিটো আৰম্ভ হোৱাৰ পূৰ্বে ঘটনাটোৰ তাৰিখ আৰু ঠাই লিখা হয়। ইয়ে হৈছে ডে'ট লাইন। উল্লিখিত তাৰিখটো হৈছে ঘটনা সংঘটিত হোৱা অথবা সাংবাদিকে প্ৰতিবেদন প্ৰস্তুত কৰা তাৰিখ। আনহাতে ঠাইখন হৈছে যিখন ঠাইৰ পৰা প্ৰতিবেদন প্ৰেৰণ কৰা হৈছে।

লীড/ইন্ট্ৰ' ঃ ডে'ট লাইনৰ পাছতেই মূল সংবাদটো আৰম্ভ হয়। প্ৰতিবেদনৰ প্ৰথমটো দফাক লীড বোলা হয়। সাধাৰণতে এই দফাটো বাকী অংশতকৈ অলপ ডাঙৰ হৰফেৰে লিখা হয়। অৱশ্যে প্ৰকাশন গোষ্ঠী অনুযায়ী এয়া ভিন্ন হয়। এই অংশটোৱে বাতৰিটোৰ মূল কথাখিনি, বিশেষকৈ পাঁচটা 'W' আৰু 'H' সম্পৰ্কে পঢ়ুৱৈক জনায়।

মূল অংশ (body) ঃ এই অংশটোৱে সংবাদটোৰ সবিশেষ পৰিবেশন কৰে। মূল সংবাদটো বিস্তৃতভাৱে লিখা হয়। লীড অংশটোৱে বাতৰিটোৰ মূলভাৱহে প্ৰকাশ কৰে, কিন্তু মূল অংশটোত বাতৰিৰ প্ৰতিটো দিশ সামৰি, এটা সামৰণি দফাৰে অন্ত পেলোৱা হয়।

উপৰোক্ত সকলোবোৰ অংশৰ ভিতৰত আটাইতকৈ শক্তিশালী অংশ হৈছে লীড অংশ। আহক এতিয়া আমি এটা সুন্দৰ লীড অর্থাৎ আৰম্ভণিৰ গুণাগুণ সম্পর্কে আলোচনা কৰোঁ।

ইন্ট্ৰ'বা আৰম্ভণি হৈছে এটা সংবাদৰ সবাতোকৈ গুৰুত্বপূর্ণ অংশ। এই অংশটো প্রত্যক্ষ আৰু আকর্ষণীয় হোৱা উচিত। বিস্তৃত তথ্য ইয়াত দিয়া নহয়। ই চমু হোৱাৰ লগতে পঢ়ুৱৈ বা শ্রোতাৰ মনোযোগ আকর্ষণ কৰা উচিত। সাধাৰণতে মুদ্রিত লীড 20 টা শব্দৰ ভিতৰত আৰু ৰেডিঅ' টেলিভিশ্যনৰ ক্ষেত্রত তাতোকৈ কম সংখ্যক শব্দ থকা উচিত।


ইন্ট্রই সদায় সংবাদ এটাৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশটো উন্মোচন কৰাটো উচিত। সেয়েহে ই চমু, সৰল আৰু মূল সংবাদৰ সৈতে পূর্ণ সংগতি থকা হ'ব লাগে। ইন্ট্র' লিখাৰ পূর্বে আপুনি কি কাৰণত এটা ঘটনা সংবাদযোগ্য হ'বলৈ পালে, সেয়া নির্ধাৰণ কৰিব লাগিব। এটা সংবাদৰ বহুতো গুৰুত্বপূর্ণ দিশ থাকিব পাৰে, কিন্তু তাৰ ভিতৰত আটাইতকৈ আকর্ষণীয় দিশটো বিচাৰি উলিয়াওতেই আপোনাৰ বৃত্তিগত কৌশল পৰীক্ষাৰ সন্মুখীন হ'ব। এই পৰীক্ষাত উত্তীর্ণ হ'লে আপুনি এটা সুন্দৰ ইন্ট্র' লিখা বুলি ক'ব পাৰি।

এনেদৰে আপোনাৰ পঢ়ুৱৈ অথবা শ্রোতাই সুন্দৰভাৱে এটা সংবাদ লাভ কৰিব। যদি তেওঁলোকে প্রথম দুটামান বাক্যৰ পাছতেই শুনিবলৈ বা পঢ়িবলৈ এৰি দিলেও সংবাদ এটাৰ সাৰমর্ম বুজি পাব।

আনহাতে, ইন্ট্র'ত আপুনি কোনো বর্ণনা দিয়াৰ প্রয়োজন নাই। মূল সংবাদটোতহে প্রয়োজনীয় পাঁচটা 'W' আৰু 'H' সম্পর্কে উত্তৰ দিব লাগে। ইন্ট্র'ত এই সকলোবোৰ সামৰি লোৱাৰ কোনো প্রয়োজন নাই।

৪.৪.২ ওলোটা পিৰামিড বা শংকু শৈলী

প্রতিটো সংবাদ কাহিনী গুৰুত্বৰ ক্রম অনুযায়ী Inverted pyramid style অর্থাৎ ওলোটা পিৰামিড শৈলী বা শংকু আকৃতিত সজোৱা হয়। এই শৈলী প্রতিটো সংবাদ প্রতিষ্ঠানে ব্যৱহাৰ কৰে। সাধাৰণতে এই শৈলী গুৰু বাতৰিৰ ক্ষেত্রত প্রযোজ্য হয়। অৱশ্যে কোনো কোনো ক্ষেত্রত নিবন্ধ তথা অন্যান্য লঘু বাতৰিৰ ক্ষেত্রতো এই শৈলীৰ প্রয়োগ হোৱাটো পৰিলক্ষিত হয়। এই শৈলীত আটাইতকৈ গুৰুত্বপূর্ণ অংশসমূহ প্রথমতে কোৱা হয়। অর্থাৎ প্রথমতে লীড, তাৰ পাছত গুৰুত্বৰ ক্রম অনুযায়ী সজোৱা মূল অংশ (body) অৱশ্যে এই শৈলীত কোনো সামৰণি নাথাকে। লীড অংশত সবাতোকৈ জৰুৰী কথাবোৰ অন্তর্ভুক্ত কৰি, তাৰ পাছত কমি অহা গুৰুত্ব অনুযায়ী কাহিনীনো প্রস্তুত কৰা হয়।



এটা সংবাদ কাহিনীয়ে পাঁচটা W আৰু H' ৰ নীতি মানি চলাটো প্ৰয়োজনীয়। Inverted pyramid শৈলী অনুসৰি লীড বা ইন্ট্ৰ' অংশত আটাইতকৈ গুৰুত্বপূৰ্ণ W' সমূহৰ উত্তৰ দিয়া হয়। কম প্ৰয়োজনীয় W আৰু H' বোৰ মূল অংশত সামৰি লোৱা হয়। সংবাদ লিখনৰ সময়ত মনোযোগ দিয়া উচিত যাতে ইন্ট্ৰ'ই কাহিনীৰ মূল স্বৰূপলৈ গতি কৰাৰ লগে লগে পৰৱৰ্তী পৰ্যায়ত বাকীবোৰ দিশ সামৰি লোৱা উচিত। এই সকলোখিনি যথাক্ৰমত কৰিব নোৱাৰিলে কোনো পটুৱৈ দৰ্শক-শ্ৰোতাকে সম্পূৰ্ণ সন্তুষ্ট কৰিব নোৱাৰি।

সাধাৰণতে সংবাদ লিখনৰ সময়ত এই মান্য শৈলী প্ৰয়োগ কৰা হয়। যদি কোনো এটা বাতৰি পোনপটীয়া আৰু ব্যাখ্যাত্মক সাংবাদিকতাৰ পৰ্যায়ৰ হয়, তেন্তে প্ৰথম চাৰিটা W কোনে, কি, কেতিয়া আৰু ক'ত --- এইসমূহে বাতৰিটোৰ গুৰু অংশ দেখুৱায় আৰু -- কিয় তথা কেনেকে ---- এই দুটাৰ পৰিবেশনৰ সময়ত ------ প্ৰয়োগ কৰা হয়। এইখিনিতে উল্লেখযোগ্য যে এটা লঘু বাতৰিয়ে তথ্যৰ পটভূমি তথা কোনো ঘটনা সংঘটিত হোৱাৰ আঁৰৰ কাৰণসমূহবো বিশ্লেষণ কৰে।

লঘু বাতৰিৰ ধাৰণাৰ জন্ম হয় তথ্য সংযোগিত মনোৰঞ্জনৰ সৈতে, য'ত লঘু বাতৰিক কিছু ক্ষেত্ৰত মনোৰঞ্জনৰ আহিলা ৰূপেও ব্যৱহাৰ হ'বলৈ ধৰিলে। চমুকৈ ক'ব পাৰি যে গুৰু বাতৰি হৈছে "ঘটনা কেন্দ্ৰীক" আৰু লঘু বাতৰি হৈছে "প্ৰক্ৰিয়া কেন্দ্ৰীক" আৰু ই মানৰ অনুভূতিক দাঙি ধৰে। আনহাতে গুৰু বাতৰিসমূহক H' অৰ্থাৎ ঘটনাস্থলীৰ বাতৰি বা H' অৰ্থাৎ সমসাময়িক বাতৰি বুলিও ক'ব পাৰি।

৪.৪.৩ বাতৰিৰ কপি কেনেদৰে লিখিব লাগে

এতিয়া আমি বাতৰিৰ গঠন সম্পৰ্কে জনাৰ পাছত প্ৰকৃত বাতৰি লিখন, যাক সাংবাদিকতাৰ ভাষাত কপি ৰাইটিং বোলা হয়, সেই সম্পৰ্কে জানি লোৱা উচিত হ'ব। আমি এটা সংবাদ কাহিনীৰ প্ৰতিটো অংশৰ বিষয়ে সবিশেষ জানি ল'লে অতি সহজতে এটা সম্পূৰ্ণ সংবাদ কাহিনী প্ৰস্তুত কৰিব পাৰিম।

সংবাদ লিখনৰ নীতি

সংবাদ শীর্ষ (headlines) : সংবাদ শীর্ষ লিখাৰ সময়ত মনত ৰখা উচিত যে ই এটা সংবাদৰ পৰিচয় দাঙি ধৰা আৰু সাৰাংশ পৰিবেশন কৰাৰ ওপৰিও ই পঢ়ুৱৈক আকর্ষণ কৰে। সেয়েহে ই চমু আৰু স্পষ্ট হোৱা উচিত। তলত উল্লিখিত নিয়মসমূহ সুন্দৰ শীর্ষ সংবাদৰ লিখিবলৈ প্রয়োগ কৰিব পাৰি।

এটা শক্তিশালী ক্রিয়াক কেন্দ্র কৰি সংবাদ শীর্ষ লিখক

ভূতকাল ব্যৱহাৰ কৰিব নালাগে। সদায় বর্তমান আৰু ভৱিষ্যৎ কালত লিখিব লাগে।

বাইলাইন/ক্রেডিট লাইন ঃ নিজস্ব শৈলী পুস্তিকা (style book) ৰ ওপৰত ভিত্তি কৰি বিভিন্ন সংবাদ প্রতিষ্ঠানে বাই লাইন বা ক্রেডিট লাইন লিখে। এখন বাতৰি কাকতৰ ভিতৰতে ক্রেডিট লাইনবোৰ ভিন্ন হ'ব পাৰে। কিছুমান প্রচলিত শৈলী হৈছে--- আমাৰ নিজা সংবাদদাতাৰ পৰা, নিজা বাতৰি দিওঁতা, বিশেষ সংবাদদাতাৰ পৰা, স্থানীয় সংবাদদাতাৰ পৰা, মনোজ দাম, বিক্রম মিত্র, ইত্যাদি।

সাধাৰণতে ক্রেডিট লাইন প্রতিবেদনৰ বাওঁফালে শীর্ষ সংবাদৰ তলত লিখা হয়। কেতিয়াবা ইয়াক প্রথম দফাৰ ওপৰত মাজৰ ফালেও লিখা হয়।

ডেটলাইন ঃ ডেটলাইনত প্রথমতে ঘটনা সংঘটিত হোৱা অথবা প্রতিবেদন প্রস্তুত কৰা স্থানৰ নাম আৰু তাৰ পাছত তাৰিখ লিখা হয়। যেনে-- গুৱাহাটী, 7 এপ্রিল। অৱশ্যে কিছুমান কাকতে ডেটলাইন নিলিখে বা কেৱল স্থানৰ নাম লিখে। সাধাৰণতে এয়া নিবন্ধ বা লঘু বাতৰিৰ ক্ষেত্রত প্রযোজ্য হয়, য'ত সময়ৰ বিশেষ গুৰুত্ব নাথাকে। এয়া বহু কেইটা সংস্কৰণযুক্ত কাকততো কৰা হয়।

লীড ঃ লীড অংশত সাধাৰণতে পাচটা W আৰু H সন্নিবিষ্ট হোৱা উচিত। অৱশ্যে সকলোখিনি লীডত সামৰিব নোৱাৰিলে পাছৰ দফাত লিখা উচিত। কিন্তু সাংবাদিকে প্রথমটো দফাতে যিমানদূৰ সম্ভৰ তথ্য দিয়া উচিত। অৱশ্যে বিশেষ প্রভাৱ আৰু গুৰুত্ব থকা বাতৰিৰ ক্ষেত্রত কিয় আৰু কেনেকৈ প্রশ্নৰ উত্তৰ লীডৰ পৰিৱর্তে পাছৰ দফাতহে বিশ্লেষণ কৰাটো উচিত।

বাতৰিৰ মূল অংশ অর্থাৎ 'body' ত লিখোতে কেৱল inverted pyramid শৈলীহে ব্যৱহাৰ কৰা উচিত।

লীড অংশই তিনিটা বা চাৰিটা বাক্যত কাহিনীৰ সাৰাংশ পৰিবেশন কৰে। এই ক্ষেত্রত ত্রিশৰ পৰা চল্লিছটা শব্দ ব্যৱহাৰ কৰিব লাগে।

মূল অংশ (body) ঃ মূল অংশ এটা কাহিনীৰ সোঁমাজত থাকে আৰু ই প্রতিটো কথাৰ বর্ণনা আগবঢ়াই। লীড অংশত সাৰাংশ পঢ়াৰ পাছত বহুতো কথা জানিবলৈ পঢ়ুৱৈসকল উৎসুক হৈ থাকে। এই সমস্ত বাতৰি মূল অংশত সন্নিবিষ্ট কৰা হয়।

লীডৰ নিচিনাকৈ মূল অংশও অধিক গুৰুত্বপূর্ণ কথাবোৰ উল্লেখ প্রথমতে কৰি W

শৈলীৰে গঠন কৰা হয়। অৱশ্যে বহু ক্ষেত্ৰত লীড অংশত থুলমূলকৈ পঢ়াৰ পাছত পঢ়ুৱৈয়ে অন্য বাতৰি পঢ়িবলৈ বিচাৰে। এই ক্ষেত্ৰত এগৰাকী দক্ষ লিখকেহে বাতৰিটোৰ শেষ বাক্যলৈকে পঢ়ুৱৈক আকৰ্ষিত কৰি ৰাখিব পাৰে। ইয়াৰ বাবে লিখনিটো যথেষ্ট আকৰ্ষণীয় তথা সুন্দৰ হোৱা উচিত। লগতে কম শব্দত অধিক তথ্য প্ৰকাশ কৰিব পাৰিব লাগে।

এটা বাতৰিক অন্য লিখনীতকৈ পৃথক কৰে ইয়াৰ ভাষাৰ ব্যৱহাৰে। তলত বাতৰিত ব্যৱহৃত ভাষাৰ ক্ষেত্ৰত মানিব লগীয়া কেতবোৰ নীতি সম্পৰ্কে উল্লেখ কৰা হ'ল---

1/ সহজ ভাষা আৰু চুটি বাক্যৰ প্ৰয়োগ।

2/ জটিল শব্দ, বাক্য, ইত্যাদি ব্যৱহাৰ কৰিব নালাগে। কাৰিকৰী কথাবোৰ বুজাই লিখিব লাগে।

3/ বাক্যসমূহ চমু আৰু পোনপটীয়া হ'ব লাগে।

4/ 9 সংখ্যাকৈ শব্দৰে আৰু তাৰ ওপৰত সংখ্যাৰে লিখিব লাগে।

5/ নামৰ পাছৰ থকা বিভিন্ন পৰিচয়--যেনে, বয়স, ঠিকনা, কাম বা অন্য তথ্য কমাৰ (,) চিহ্নৰ প্ৰয়োগেৰে ভাগ ভাগকৈ লিখা উচিত। শ্ৰী, শ্ৰীমতী, ডাঃ, ইত্যাদিবোৰ লিখিব নালাগে।

6/ কাৰোবাৰ বক্তব্য পোনপটীয়াকৈ লিখিবলৈ (" ") ৰ মাজত লিখিব লাগে। কেতিয়াবা সম্পূৰ্ণ বাক্য আৰু কেতিয়াবা বিশেষ শব্দ direct spech লিখিব পাৰি।

7/ এটা সংবাদ কাহিনীত সময়ৰ উল্লেখ যথেষ্ট গুৰুত্বপূৰ্ণ। আগতে হৈ যোৱা ঘটনা ভূতকালত লিখিব লাগে।

এনেবোৰ বাক্য, নিৰ্বাচিত হয়, আহত হয়, নিহত হয়, ক্ষতিগ্ৰস্ত হয়, সন্মানীত কৰা, ইত্যাদি ধৰণে লিখা হয়।

8/ সময়ৰ গুৰুত্বক বুজাবলৈ বৰ্তমান কালৰ ব্যৱহাৰ কৰা উচিত। যেনে-- "পশ্চিম বংগত এমাহৰ ভিতৰতে দ্বিতীয়বাৰৰ বাবে বাৰ্ড ফ্লুৰ সন্ভেদ পাই জলপাইগুড়ি জিলা প্ৰশাসনে আজি যথেষ্ট সংখ্যক পক্ষী নিধন কৰে"।

9/ যিবোৰ বাতৰিত সময়টো জনা নাযায়, অথবা সময়টো গুৰুত্বপূৰ্ণ নহয়, সেইবোৰত...

10/ ভৱিষ্যতে হ'বলগীয়া ঘটনাসমূহৰ বিষয়ে ভৱিষ্যৎ কালত লিখা হয়।



অনুশীলনী খ

¼ তলত দিয়া তথ্যসমূহ ব্যৱহাৰ কৰি এটা সংবাদ কাহিনী প্ৰস্তুত কৰক। সংবাদটোত সকলো অংশ আৰু সংবাদ লিখনৰ সকলো নীতি সন্নিবিষ্ট হোৱাটো প্ৰয়োজনীয়।

- ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনা
- আবেলি 4 বাজিÃ 30 মিনিট, 6 ডিচেম্বৰ
- ট্ৰাক আৰু বেগেৰে অহা মটৰ চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষ
- মটৰ চাইকেল আৰোহীৰ ঘটনাস্থলীত মৃত্যু
- ট্ৰাকখনে এডাল গছত খুন্দা মৰাৰ পাছত নিয়ন্ত্ৰণ হেৰুৱায়। ট্ৰাকখনৰ সমুখভাগ ক্ষতিগ্ৰস্ত।
- ট্ৰাকচালক গুৰুতৰভাৱে আহত, কিন্তু জীৱিত। হস্পিটালত ভৰ্তি।

৪.৫ বাতৰিৰ বস্তুনিষ্ঠতা, নিৰপেক্ষতা আৰু সত্যতা

আগৰ খণ্ডটোতে আমি কৈছো যে তথ্যপাতিবোৰ যেনেদৰে পোৱা যায় তেনেদৰে আৰু কোনো এটা ঘটনা যিদৰে ঘটে ঠিক তেনেদৰে উপস্থাপন কৰাটোৱেই সাংবাদিকৰ কৰ্তব্য। সেইবোৰৰ কোনো হেৰ-ফেৰ কম বেছি কৰাটো উচিত নহয়। ইয়াক কোৱা হয় বস্তুনিষ্ঠতা, অৰ্থাৎ ঘটনাটোৰ প্ৰতিবেদনৰ সৈতে প্ৰত্যক্ষভাবে সম্পৰ্ক নথকা কোনো অন্য কথা সংযোজিত নকৰি, কেৱল সত্য আৰু সংগতিপূৰ্ণ কথখিনিহে পৰিবেশন কৰিব লাগে। গণ মাধ্যম হ'ল মানুহক প্ৰভাৱান্বিত কৰিব পৰা এটা অতি শক্তিশালী আহিলা। সেইবাবে যিকোনো সাংবাদিকে কোনো প্ৰকাৰৰ ভ্ৰান্তি, বিতৰ্ক নাইবা উত্তেজনাৰ যাতে সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি ঘটনাটো সঠিকভাবে উপস্থাপন কৰিবলৈ সম্ভৱপৰ সচেষ্ট হ'ব লাগে। তেনে নকৰিলে তাৰ সুদুৰ প্ৰসাৰী প্ৰতিক্ৰিয়াৰ উদ্ভৱ হ'ব পাৰে। যেনে, মানুহে অসত্য কথাটোকে বিশ্বাস কৰি ভুল পথে পৰিচালিত হ'ব পাৰে আৰু তাৰ দ্বাৰা সমাজত ব্যাপক অস্থিৰতা, অসন্তুষ্টিৰ সৃষ্টি হ'ব পাৰে। গণ মাধ্যম সংস্থাবোৰ গঢ় লৈ উঠি সেইবোৰে জনাসাধাৰণক মনোৰঞ্জন কাৰ্যসূচী আৰু বাতৰি আদিৰ পৰিবেশনৰ কামত লাগি যোৱাৰ পাছত, সেইবোৰৰ সৈতে সৰ্বসাধাৰণ আৰু অন্যান্য লোক অথবা সেই বোৰৰ লক্ষিত পঢ়ুৱৈ আৰু শ্ৰোতাসকলৰ সময়ৰ লগে লগে এটা ব্যক্তিগত সম্পৰ্কৰ সৃষ্টি হয়। এনে অৱস্থাত শ্ৰোতা-দৰ্শক পাঠকসকলে কেতিয়াবা যদি ভাবিবলৈ লয় যে সংবাদ সংস্থাটোৱে ইয়াৰ পঢ়ুৱৈ বা শ্ৰোতাসকলক ভ্ৰান্ত কৰিব বিচাৰিছে, তেতিয়া এই ব্যক্তিগত সম্পৰ্ক নাইবা বিশ্বাস ভঙ্গ হ'ব পাৰে আৰু পাৰস্পৰিক সন্মান লাঘৱ হ'ব পাৰে। সেইটো মাধ্যম সংস্থাটোৰ বাবে অতি ক্ষতিকৰ হৈ উঠিব পাৰে।

সাংবাদিকতাই হওক বা আন কোনো বৃত্তিয়েই হওক প্রতিটোৱে সমাজৰ প্রতি কেতবোৰ দায়িত্ব পালন কৰিব লগীয়া থাকে। কিন্তু আন সকলো বৃত্তিৰ তুলনাত সমগ্র বিশ্বতে সাংবাদিকতাৰ বৃত্তিৰ এনে সামাজিক দায়িত্ব অতি বেছি। কাৰণ, গণতন্ত্রৰ চতুর্থ স্তম্ভ হিচাপে অর্থাৎ দেশৰ গণতন্ত্রিক নীতিৰ প্রহৰী স্বৰূপে মাধ্যমে আশানুৰূপভাবে কাম কৰিব লাগে। গতিকে, মাধ্যমে ইয়াৰ মানদণ্ড অক্ষুণ্ণ ৰখাত ব্যর্থ হ'লে, ই সমাজ আৰু সামগ্রিকভাবে জনসাধাৰণৰ প্রতি থকা ইয়াৰ দায়িত্ব পূৰণ কৰিব পাৰিব জানো?

এজন ৰিপ'র্টাৰ বা সাংবাদিক হ'ল বিশ্বৰ মানুহে কোনো এটা ঘটনা, প্রশ্ন আদিৰ সম্পর্কত জ্ঞাত হোৱাৰ মাধ্যম। সেইবাবে তথ্য-পাতি আৰু কোনো ঘটনাৰ বাতৰি দ্ব্যর্থকভাবে পৰিবেশন নকৰি সেইবোৰ যথার্থ ৰূপত দাঙি ধৰাতো হ'ল সাংবাদিকৰ প্রধান কর্তব্য। সাংবাদিকজনে তেনে কিবা কৰিলে তেওঁ কেৱল বৃত্তিতেই যে দুর্নাম অর্জন কৰিব এনে নহয়, তেওঁ কৰা কামে সংস্থাটোৰো যশস্যা হানি কৰিব। ই হ'ল এটা নৈতিক, সত্যনিষ্ঠতা আৰু দায়িত্বৰ প্রশ্ন আৰু যিকোনো পৰিস্থিতিতেই ইয়াক অক্ষুণ্ণ ৰাখিব লাগিব।

আমি অৱশ্যে আটায়ে জানো যে বিশেষভাৱে মাধ্যমৰ ক্ষেত্রত এশ ভাগ বস্তুনিষ্ঠ বা নিৰপেক্ষ হৈ থকাটো দুৰূহ কাম। কাৰণ, মানুহ হিচাপে কোনো এটা ঘটনাৰ বাতৰি পৰিবেশন কৰোতে সাংবাদিকজনৰ নিজস্ব বিশ্বাস, প্রকাশ শৈলী, অভিৰুচি আদি প্রতিফলিত হোৱাৰ অৱকাশ থাকে। এনে হোৱা স্বত্ত্বেও সাংবাদিজনে যিমানখিনি সম্ভৱ সিমান প্রাসঙ্গিকতা ৰক্ষা কৰি কাম কৰিব লাগিব।



অগ্রগতি নিৰীক্ষণ গ

১। বাতৰিৰ বস্তুনিষ্ঠতা কি?

.....

.....

.....

২। সাংবাদিকে বস্তুনিষ্ঠ হ'বলৈ কি কৰা উচিত।

.....

.....

.....



অনুশীলনী গ

পাচদিন ধৰি কোনো এখন বাতৰি কাকতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ধৰণৰ বাতৰিকেইটা পঢ়ক। বাতৰি কাকতখনে বাতৰিকেইটা তলত দিয়া কোনটো ধৰণে পৰিবেশন কৰিছে সেইটো নির্দ্ধাৰণ কৰক

1¼ সেইবোৰ বেছি দীঘল বা বেছি চুটি

2¼ তথ্য-পাতিসমূহ অযত্নপৰভাবে যেনি-তেনি দিছে নাইবা সু-শৃংখলভাবে দিছে।

3¼ আপুনি ভাষাতো কেনে পাইছে সৰল নে সাহিত্যধর্মী, ইত্যাদি

৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আপুনি বাতৰিৰ বিভিন্ন দিশ, বাতৰিৰ ৰিপ'র্টিং বা প্রতিবেদন আৰু সাংবাদিকৰ দায়িত্বসমূহৰ বিষয়ে জানিব পাৰিলে। লগতে বাতৰিৰ প্রতিবেদন কেনেকৈ প্রস্তুত কৰিব লাগে, বিষয়বস্তু কেনেকৈ সন্নিবিষ্ট কৰিব লাগে, কেনেকৈ সেইবোৰ পৰিবেশন কৰিব লাগে আৰু তথ্যপাতিৰ সত্যতা প্রমাণকৰণ আৰু বাতৰিটা প্রস্তুত কৰাত সাংবাদিকৰ নৈতিক কর্তব্যৰ সৈতেও আপুনি পৰিচিত হৈছে। তাৰোপৰি বাতৰিবোৰৰ সত্যতা আৰু বস্তুনিষ্ঠতা, পক্ষপাতমূলক দৃষ্টিভঙ্গীৰে পৰিবেশিত অশুদ্ধ বাতৰিৰ সম্ভাব্য কুপ্রভাৱ আদিৰ বিষয়ে আলোচনা কৰা হৈছে। অধ্যায়টো পঢ়ি আপুনি নিশ্চয় ইতিমধ্যে সাংবাদিকতা বৃত্তি আৰু সাংবাদিকতাৰ কামৰ দায়িত্বৰ সম্পর্কে সম্যক ধাৰণা লাভ কৰিব পাৰিছে।

এই বিষয়বোৰৰ জ্ঞানে ভৱিষ্যতে আপোনাক সাংবাদিকৰ কামৰ বাবে নিজকে প্রস্তুত কৰি তোলাত সহায় কৰিব। তাৰোপৰি আপুনি যেতিয়া এই কামত হাত দিব, তেতিয়া আপুনি এই বৃত্তিটোৰ আন ভালেমান ব্যৱহাৰিক দিশৰ বিষয়ে জানিব পাৰিব। আমাৰ বিশ্বাস এই বৃত্তিত উৎকর্ষতা লাভৰ দিশত অগ্রসৰ হোৱাত আপুনি এটা ডাঙৰ পদক্ষেপ পেলাবলৈ সক্ষম হৈছে।



৪.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

1. Journalism - N. Jaypalan, Atalantic Publishers and Distributors, New Delhi
2. Magazine article writing : Substance and stye -- Betsy P. Graham, Holt Rinehart and Winston
3. Essentials of Practical Journalism-- Vir Bala Agarwal, Concept Publishing Company, New Delhi
4. News Writing-- George A. Hough, Kanishka Publishers and Distributors, New Delhi.

৪.৮ অগ্রগতিৰ খতিয়ান

অগ্রগতি নিৰীক্ষণ ক

1. সমাজৰ সৰহ সংখ্যক লোকৰ বাবেই সংবাদ হ'ল কোনো এটা নতুন, মনোগ্রাহী আৰু প্রাসঙ্গিক বিষয়। শব্দটোৰ প্রকৃত অর্থত সংবাদ-বাতৰি বুলি কোৱাৰ যোগ্য হোৱাৰ বাবেই দেশত নাইবা সমগ্র বিশ্বতে বহু সংখ্যক লোকক প্রভাৱান্বিত কৰিব পাৰিব লাগিব।
2. অসমৰ বাবে যিবোৰ বিষয় প্রত্যক্ষ বা পৰোক্ষভাবে প্রাসঙ্গিক বাতৰি হিচাপে গণ্য কৰা হয়, সেইবোৰৰ ৰাজ্যখনৰ সৈতে কোনো ধৰণৰ সম্পর্ক আৰু প্রাসঙ্গিকতা থাকে।

   i) নহয়, ii) হয়, iii) হয়, iv) হয়, v) নহয়, vi) হয়, vii) হয়, viii) হয়,

অগ্রগতি নিৰীক্ষণ খ

1. বাতৰি এটা প্রস্তুত কৰোতে, প্রথম দফাটোত সদায় গোটেই বাতৰিটোৰ এটা চমু সাৰাংশ থাকিব লাগিব আৰু পৰৱর্তী অনুচ্ছেদসমূহত গুৰুত্ব অনুসাৰে বাতৰিটোৰ আন আটাইবোৰ দৰকাৰী দিশৰ ব্যাখ্যা আগবঢ়াব লাগিব। কোনো এটা বাতৰি যদি একে সময়তে বা কম সময়ৰ ব্যৱধানত সংঘটিত কেবাটাও বা বহুতো ঘটনা সম্পর্কীয় হয়, তেতিয়া হ'লে সেই আটাইবোৰৰে গুৰুত্বপূর্ণ দিশকেইটা সামৰি এটা সাধাৰণভাবে সুচনাত্মক দফা লিখিব লাগে।
2. বাতৰিৰ উৎস মানে হ'ল সেইবোৰ ব্যক্তি বা অনুষ্ঠান যিবোৰৰ পৰা বিভিন্ন বিষয় আৰু উপলক্ষক লৈ বাতৰিৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। এনে উৎস দুই প্রকাৰৰ হ'ব পাৰে। প্রথমটো হ'ল চৰকাৰী বা আনুষ্ঠানিক উৎস। কোনো অনুষ্ঠান-প্রতিষ্ঠান, চৰকাৰী প্রেচ বিজ্ঞপ্তি, বিবৃতি, সভা-সমিতি আদি। এইবোৰ সাধাৰণ প্রকৃতিৰ আৰু প্রয়োজন হ'লে যিকোনো সাংবাদিকে সেইবোৰ লাভ কৰিব পাৰে। অৱশ্যে কেতবোৰ ব্যক্তিক উৎস আছে। সেইবোৰ হ'ল চৰকাৰী বিষয়া বা আন কোনো ব্যক্তি। তেওঁলোকৰ সৈতে সাংবাদিকজনে সময়ৰ লগে লগে ব্যক্তিগত সম্পর্ক গঢ়ি তুলিব লাগিব যাতে, তেওঁলোকৰ কার্যালয় বা সংস্থাৰ সৈতে জড়িত কোনো এটা বিতর্কিত বা নেতিবাচক বাতৰি উদ্ভৱ হলে এনে উৎসবোৰে গুৰুত্বপূর্ণ বাতৰি ৰূপে গণ্য হ'ব পৰা বিধৰ তথ্য দি সাংবাদিক গৰাকীক জানিবলৈ দিয়ে।
3. বাতৰিৰ উৎসসমূহৰ পোষণ অর্থাৎ সেইবোৰৰ সৈতে পৰিচয় অক্ষুণ্ণ ৰখাৰ অর্থ হ'ল, স্বাভাৱিক পৰিস্থিতিত যিবোৰ তথ্য লাভ কৰাত অসুবিধা হ'ব পাৰে, তেনে তথ্যবোৰ আদায় কৰাৰ বাবে ব্যক্তিক উৎসৰ সৈতে ব্যক্তিগত সৌহার্দ আৰু সম্পর্ক গঢ়ি তোলা। এইটো মনত ৰখাটো আৱশ্যকীয় যে সাধাৰণতে চৰকাৰী বিষয়াসকলে সাংবাদিকৰ আগত চৰকাৰী তথ্য আদি প্রকাশ কৰাটো আশা কৰা নহয় যদিও, সৰহভাগ বাতৰি চৰকাৰী উৎসৰ পৰাই অহা দেখা যায়। এই উৎসমূহৰ সৈতে সাংবাদিকৰ ঘনিষ্ঠ সম্পর্ক থাকিলেহে এইটো সম্ভৱ হয়।

অগ্রগতি নিৰীক্ষণ গ

1¼ বাতৰিৰ বস্তুনিষ্ঠতা বা নিৰপেক্ষতা হ'ল কোনো এটা ঘটনা যিদৰে সংঘটিত হয় তাৰ কোনো কম বেছি নোহোৱাকৈ সত্য আৰু যথার্থভাবে পৰিবেশন কৰা। কোনো এটা বাতৰিত সাংবাদিকজন বা সংবাদ সংস্থাটোৰ নিজস্ব অভিমত থাকিব নালাগে। এই ক্ষেত্রত নেতিবাচক বা ইতিবাচক যিকোনো সিদ্ধান্ত গ্রহণৰ দায়িত্ব বাতৰিৰ শ্রোতা-দর্শক-পঢ়ুৱৈৰ ওপৰত এৰি দিয়া উচিত আৰু সাংবাদিকজনে নিজৰ ফালৰ পৰা এই দায়িত্ব ল'ব নালাগে। এনে নহ'লে, বাতৰিটোত বস্তুনিষ্ঠতা বা নিৰপেক্ষতাৰ অভাৱ হ'ব আৰু ই এটা পক্ষপাতমূলক বাতৰিহে হৈ পৰিব।

2¼ সাংবাদিকৰ বাবে বস্তুনিষ্ঠতা বা নিৰপেক্ষতা গুৰুত্বপূর্ণ কথা কাৰণ, নিৰপেক্ষতাবিহীন বাতৰি পৰিবেশন কৰি থাকিলে, কিছু কালৰ পাচত তেওঁৰ নিয়োগকর্তা আৰু শ্রোতা-দর্শক-পাঠকমণ্ডলীৰ সাংবাদিকজনৰ ওপৰত আস্থা হেৰাই যাব আৰু তেওঁৰ ব্যক্তিগত যশস্যা অবিশ্বাস্যভাবে নিম্নগামী হৈ তেওঁৰ জীৱিকা বৃত্তি বিপদাপন্ন হৈ পৰাৰ সম্ভাৱনা আহি পৰিব।

সংবাদপত্র প্রতিষ্ঠানৰ বাবেও এইটো অতি গুৰুত্বপূর্ণ কথা। কাৰণ সংবাদপত্রখনে ইয়াৰ পঢ়ুৱৈক এনে বাতৰি পৰিবেশন কৰি থাকিলে, মানুহে ইয়াৰ ওপৰত ক্রমান্বয়ে আস্থা হেৰুৱাই পেলাব আৰু ইয়াক ক্রয় কৰাটো বন্ধ কৰিব। ফলত ইয়াৰ অস্তিত্বত আঘাত পৰিব।

৪.৯ সম্ভাব্য প্রশ্ন

1¼ কোনো এটা ঘটনা সংবাদযোগ্য হ'বলৈ ইয়াৰ কি কি বিশেষত্ব থাকিব লাগিব? উদাহৰণ দি ব্যাখ্যা কৰক।

2¼ বাতৰিৰ উৎস বুলিলে আপুনি কি বুজে? বাতৰিৰ বিভিন্ন উৎস সম্পর্কে চমুকৈ আলোচনা কৰক।

3¼ এটা সংবাদ কাহিনীৰ বিভিন্ন অংশসমূহ কি কি? প্রতিটো অংশৰে গুৰুত্ব সম্পর্কে বর্ণনা দিয়ক।

4¼ আপোনাৰ মতে বাতৰিৰ কোনটো অংশ আটাইতকৈ গুৰুত্বপূর্ণ? কাৰণ দর্শাই উত্তৰ লিখক।

5¼ Inverted pyramid শৈলীটো বাতৰি লিখনৰ আটাইতকৈ উপযোগী শৈলী বুলি আপুনি ভাবেনে? যদি ভাবে, কিয়?

6¼ এটা সংবাদ কাহিনীত সংবাদ শীর্ষৰ গুৰুত্ব কিমান?

7¼ এটা সুন্দৰ লীড অবিহনে এটা সংবাদ কাহিনী উপযুক্ত হৈ নুঠে। আপোনাৰ মতামত আগবঢ়াওক।

8¼ হার্ড বাতৰি আৰু চফ্‌ট বাতৰিৰ মাজত মূল প্রভেদবোৰ কি কি?